**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। এন ডি এ চৰকাৰে কেন্দ্ৰত আজি ১১ বছৰ সম্পূৰ্ণ কৰাৰ ক্ষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশৰ কৃষকসকলৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ।

২। মহাৰাষ্ট্ৰৰ ছত্তিশগড় সীমান্তৰ কাৱানড়ে নামৰ দূৰ্গম গাওঁখনত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাৱিছৰ উপস্থিতিত কালি ১২জন নক্সাল বিদ্ৰোহীয়ে আত্মসমৰ্পণ কৰে।

৩। ইছলামধৰ্মী লোকসকলৰ ত্যাগ উৎসৱ ঈদ-উল-আজহা আজি দেশজুৰি সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে উদযাপন কৰা হৈছে। ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ঈদ-উল-আজহা বা ঈদ-উজ-জোহা উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে।

৪। বিশ্ব বেংকৰ শেহতীয়া তথ্য অনুসৰি ২০১১-১২ বৰ্ষৰ পৰা ২০২২-২৩ বৰ্ষৰ সময়ছোৱাত দেশত অতি দৰিদ্ৰতাৰ পৰিবেশত বাস কৰা ২৬ কোটি ৯০ লাখ লোকৰ জীৱন ধাৰণৰ মান উন্নত হৈছে। **আৰু**

৫। ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ এখন গুৰুত্বপূৰ্ণ খেলত আজি বিশ্বৰ একনম্বৰ খেলুৱৈ আৰিয়ানা ছাবালেংকাই দ্বিতীয় স্থানৰ কৰ্ক গউফৰ বিৰুদ্ধে খেলিব। ০০

০০০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশৰ কৃষকসকলৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ। বিজেপি নেতৃত্বৰ এন ডি এ চৰকাৰে কেন্দ্ৰত আজি ১১ বছৰ সম্পূৰ্ণ কৰাৰ ক্ষণত শ্ৰীমোদীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে দেশৰ কঠোৰ পৰিশ্ৰমি কৃষকসকলৰ সেৱাত কেন্দ্ৰীয় চৰকাৰে সদায় অগ্ৰাধিকাৰ দি আহিছে। প্ৰধানমন্ত্ৰীয়ে বিগত ১১ বছৰত চৰকাৰে কৃষকৰ কল্যাণ আৰু কৃষি খণ্ডৰ সামগ্ৰীক ৰূপান্তৰৰ বাবে লোৱা বিভিন্ন কাৰ্যব্যৱস্থাৰ খতিয়ান দিয়ে। তেওঁ কয় যে চৰকাৰে মাটিৰ স্বাস্থ্য নিৰ্ণয়, জল সিঞ্চনৰ দৰে সকলো বিষয়তে মনোযোগ দিছে আৰু ই কৃষক সমাজক উপকৃত কৰিছে। অনাগত সময়তো চৰকাৰে কৃষক কল্যাণৰ যাত্ৰা অব্যাহত ৰাখিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

০০০০০

মহাৰাষ্ট্ৰৰ ছত্তিশগড় সীমান্তৰ কাৱানড়ে নামৰ দূৰ্গম গাওঁখনত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাৱিছৰ উপস্থিতিত কালি ১২জন নক্সাল বিদ্ৰোহীয়ে আত্মসমৰ্পণ কৰে। বিদ্ৰোহী কেইজনে গাড়চিৰলী জিলা প্ৰশাসনৰ সন্মুখত বহুতো অস্ত্ৰ-শস্ত্ৰ জমা দিয়ে। এই আটাইকেইজন বিদ্ৰোহীৰ শিৰৰ মূল্য প্ৰায় ১ কোটি টকা ধাৰ্য কৰা হৈছিল। নক্সাল অধ্যুষিত জিলাখনৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাৱিছ কালি দূৰ্গম গাওঁখনলৈ গৈছিল। মুখ্যমন্ত্ৰীয়ে আত্মসমৰ্পণকাৰী বিদ্ৰোহী কেইজনৰ প্ৰত্যেককে সংবিধানৰ একোটা কপি উপহাৰ দিয়ে। তেওঁ কয় যে আত্মসমৰ্পণকাৰী বিদ্ৰোহীসকলে মূল সুতিত অংশগ্ৰহণ

কৰি দেশ আৰু সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে দিয়া তথ্য অনুসৰি মহাৰাষ্ট্ৰত বিগত ১৮ মাহত ২৮ গৰাকী মাওবাদী বিদ্ৰোহী সংঘৰ্ষত নিহত হোৱাৰ উপৰি ৩১ গৰাকীক প্ৰেপ্তাৰ কৰা হৈছে আৰু ৪৪ গৰাকীয়ে আত্মসমৰ্পণ কৰিছে। অহা বছৰৰ মাৰ্চৰ ভিতৰত মাওবাদীক উৎখাত কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ফাড়নাৱিছে কয় যে মহাৰাষ্ট্ৰত সম্প্ৰতি সামান্য সংখ্যক মাওবাদীয়ে সক্ৰিয় হৈ আছে।

00000

ইছলামধৰ্মী লোকসকলৰ ত্যাগ উৎসৱ ঈদ-উল-আজহা আজি দেশজুৰি সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে উদযাপ কৰা হৈছে। ঈদগাহ আৰু মছজিদসমূহত আজি পুৱা ঈদৰ নামাজ অনুষ্ঠিত হয়। তাৰ পাছতে ইজনে সিজনক পৰম্পৰাগতভাৱে ঈদৰ শুভেচ্ছা জনায়।

দিল্লীত জামা মছজিদ, ফটেহপুৰী মছজিদ আৰু শ্বাহী ঈদগাহত মূল প্ৰাৰ্থনা অনুষ্ঠিত হয়। নামাজৰ নেতৃত্ব লোৱা ইমামসকলে এই উৎসৱত শান্তি, সমন্বয় আৰু ভাতৃত্ববোধ বৰ্তাই ৰাখিবলৈ সকলোকে আহ্বান জনায়। দেশৰ অন্যান্য প্ৰান্ততো ব্যাপক উৎসাহ-উদ্দীপনাৰে ঈদ উদযাপন কৰা হৈছে। ঈদ উপলক্ষে দেশজুৰি নিৰাপত্তা ব্যাৱস্থা কটকটীয়া কৰি তোলা হৈছে।

00000

ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ঈদ-উল-আজহা বা ঈদ-উজ-জোহা উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই উৎসৱক ত্যাগ, বিশ্বাস আৰু মানৱীয় প্ৰমূল্যৰ উৎসৱ হিচাপে বৰ্ণনা কৰে। এই উৎসৱে সমাজলৈ একতা, প্ৰেম আৰু ভাতৃত্ববোধৰ বাৰ্তা বহন কৰিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ নিস্বাৰ্থ আৰু নিষ্ঠাৰ প্ৰমূল্যৰে এখন সুস্থ সমাজ গঢ়াৰ বাবে সকলোকে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে এই উৎসৱে সকলোকে ত্যাগৰ ক্ষমতাক সোঁৱৰাই দিয়ে। ঈদ-উজ-জোহাৰ নিস্বাৰ্থ সেৱাৰ মনোভাৱে দেশৰ গণতান্ত্ৰিক প্ৰমূল্যক শক্তিশালী কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও দেশবাসীক ঈদৰ শুভেচ্ছা জনাই আশা প্ৰকাশ কৰে যে এই উৎসৱে সমাজত সমন্বয়ৰ প্ৰেৰণা আৰু শান্তিৰ বাতাবৰণ শক্তিশালী কৰাত সহায় কৰিব। তেওঁ দেশৰ প্ৰতিগৰাকী নাগৰিকৰ সুস্বাস্থ্য আৰু সমৃদ্ধিও কামনা কৰে।

000000

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান এদিনীয়া ভ্ৰমণসূচীৰে আজি মধ্যপ্ৰদেশৰ ছেহ'ৰ জিলালৈ গৈছে। তাত তেওঁ বিয়লি বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ মুখ্যমন্ত্ৰী ড০ মোহন যাদবৰ সৈতে ৫১ কোটিৰো অধিক টকাৰ উন্নয়নমূলক কামৰ ভূমি পূজন কৰিব। ইচ্ছাৱাৰত শ্ৰীচৌহানে বিকশিত কৃষি সংকল্প অভিযানত অংশগ্ৰহণ কৰিব। সন্ধিয়া ভৌখেৰিত তেওঁ একাংশ কৃষকৰ সৈতে মত বিনিময় কৰিব।

00000

ভাৰতে দৰিদ্ৰতা হ্ৰাস কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰিছে। ২০১১-১২ বৰ্ষৰ পৰা ২০২২-২৩ বৰ্ষৰ সময়ছোৱাত দেশত অতি দৰিদ্ৰতাৰ পৰিবেশত বাস কৰা ২৬ কোটি ৯০ লাখ লোকৰ জীৱন ধাৰণৰ মান উন্নত হৈছে। বিশ্ব বেংকৰ শেহতীয়া তথ্য অনুসৰি এই হাৰ ২০১১-১২ বৰ্ষৰ ২৭ দশমিক ১

শতাংশৰ পৰা ২০২২-২৩ বৰ্ষত ৫ দশমিক ৩ শতাংশলৈ হ্ৰাস পাইছে। উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, বিহাৰ, পশ্চিমবংগ আৰু মধ্যপ্ৰশেত অতি দৰিদ্ৰতাত বাস কৰা লোকৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে। ২০১১-১২ বৰ্ষত এই পৰিস্থিতিত বাস কৰা মুঠ জনসংখ্যাৰ ৬৫ শতাংশ এই ৰাজ্যসমূহৰ বাসিন্দা আছিল। এন ডি এ চৰকাৰৰ ১১ বছৰৰ কাৰ্যকালত ৰূপায়ণ কৰা প্ৰধানমন্ত্ৰী আবাস যোজনা, প্ৰধানমন্ত্ৰী উজ্বলা যোজনা, জন-ধন যোজনা আৰু আয়ুষ্মান ভাৰত আঁচনিয়ে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

০০০০০

ইউক্ৰেইনৰ খাৰখিভ চহৰত ৰাছিয়াই ড্ৰোণ আৰু ক্ষেপনাস্ত্ৰৰে চলোৱা আক্ৰমণত  কমেও ৩ জন লোক নিহত হোৱাৰ লগতে ২১ জন আহত হৈছে। খাৰখিভৰ মেৰৰে জনোৱা মতে শেহতীয়া কেইবাটাও আক্ৰমণৰ ভিতৰত ভয়াবহ এই আক্ৰমণত অঞ্চলতোৰ ১৮ টা এপাৰ্টমেণ্ট আৰু ১৩টা ব্যক্তিগত বাসগৃহ ক্ষতিগ্ৰস্ত হৈছে। জানিব পৰা মতে এই আক্ৰমণত ৰাছিয়াই ৪৮ খন ড্ৰোণ, ২টা ক্ষেপনাস্ত আৰু ৪টা এৰিয়েল গ্লাইড বোমা ব্যৱহাৰ কৰিছিল।

০০০০০

বিদগ্ধ পণ্ডিত বিশিষ্ট মাৰাথী সাহিত্যিক গৱেষক দাজী পনশীকৰৰ মহাৰাষ্ট্ৰৰ থানেৰ নিজ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯২ বছৰ। মহাভাৰত, একনাথী ভাগৱত আৰু ভাবাৰ্থ ৰামায়ণৰ দৰে গ্ৰন্থসমূহৰ পাণ্ডিত্যমূলক ব্যাখ্যা আগবঢ়োৱাৰ বাবে তেওঁক সকলোৱে সন্মান কৰে। প্ৰয়াত পনশীকৰে ভাম্যমান জগতত নাট্যসম্পদা নাট্য সংস্থা আয়োজন কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। জৱাহৰ বাগত সাহিত্যিকগৰাকীৰ শেষ কৃত্য সমাপন কৰা হ'ব। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাৱিছে সাহিত্যিকগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰি কয় যে তেওঁৰ মৃত্যু ভাৰতীয় সংস্কৃতিৰ বাবে এটা অপূৰণীয় ক্ষতি।

০০০০০

ফ্ৰেঞ্চ অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত আজি বিশ্বৰ একনম্বৰ খেলুৱৈ আৰিয়ানা ছাবালেংকাই বিশ্বৰ দ্বিতীয় স্থানৰ খেলুৱৈ কক' গউফৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ছয় বজাত অনুষ্ঠিত হ'ব। বেলাৰুছৰ ছাবালেংকাই পলেণ্ডৰ খেলুৱৈ পঞ্চম বাছনিৰ ইগা শ্বায়েটেকক ছেমি ফাইনেলত ৭-৬, ৪-৬, ৬-০ ছেটত পৰাজিত কৰে। আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ গউফে বাছনিবিহীন ফ্ৰান্সৰ লুইছ বইছনক ৬-১, ৬-২ ছেটত ফেমি ফাইনেলত পৰাস্ত কৰে।

পুৰুষৰ ছিংগলছত কাইলৈ হ'বলগীয়া ফাইনেলত বিশ্বৰ প্ৰথম স্থানৰ খেলুৱৈ জানিক ছিনাৰে যোৱাবাৰৰ ছেম্পিয়ন কাৰ্লছ আল কাৰাজৰ বিৰুদ্ধে খেলিব। ছিনাৰে ছেমি ফাইনেলত পূৰ্বৰ ছেম্পিয়ন নভাক জকভিছক ৬-৪, ৭-৫, ৭-৬ ছেটত পৰাস্ত কৰে। আনহাতে আল কাৰাজে প্ৰতিদন্দ্বী লৰেঞ্জ' মুছেটিৰ আঘাটৰ বাবে ছেমি ফাইনেল নেখেলাকৈয়ে ফাইনেলত প্ৰৱেশ কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন কেন্দ্ৰত কাইলৈ অসম লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰম্ভিক পৰীক্ষা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে আয়োগে কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অকৰ্তৃত্বশীল ব্যক্তিৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। পৰীক্ষাৰ্থীসকলে বৈধ প্ৰৱেশ পত্ৰ আৰু ফটো পৰিচয় পত্ৰ লৈ যাব লাগিব। কেন্দ্ৰৰ ভিতৰলৈ কিতাপ, কেলকুলেটৰ, ম'বাইল ফোন, বৈদ্যুতিক সামগ্ৰী, গাড়ীৰ ছাবি আৰু অন্যান্য আপত্তিজনক সা-সামগ্ৰী

কঢ়িওৱাত বাধা আৰোপ কৰা হৈছে। এই নিৰ্দেশ ভংগকাৰীসকলক ভাৰতীয় ন্যায় সংহিতাৰ ২২৩ ধাৰাৰ অধীনত দণ্ড বিহা হ'ব।

০০০০

ভাৰত আৰু মধ্য এছিয়াৰ দেশসমূহে বিশেষকৈ ডিজিটেল পেমেণ্ট ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ মাজত অধিক বিত্তী সংযোগৰ প্ৰয়োজনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। চতুৰ্থ সংখ্যক ভাৰত মধ্য এছিয়া সন্মিলনৰ যৌথ বিবৃতিতত ৰাষ্ট্ৰসমূহে বাণিজ্য, বিনিয়োগ, পৰ্যটনৰ দৰে ক্ষেতৰসমূহক উৎসাহিত কৰিবলৈ বেংকৰ লেন দেন ৰাষ্ট্ৰীয় মুদ্ৰাত বাণিজ্য বৃদ্ধিত আহ্বান জনায়। দেশ কেইখনে বিত্তীয় আৰু বেংকীং সহযোগিতাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত আৰু মধ্য এছিয়াৰ অংশীদাৰসকলৰ মাজত বেংকীং আৰু বিত্তীয় সংয়োগ আৰু অধিক গভীৰ কৰৰা উপায় অন্বেষণ কৰিবলৈ যৌথ কৰ্ম গোট গঠনৰ বাবেও আগ্ৰহ প্ৰকাশ কৰে।

০০০০০